# বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন
## (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অসমীয়া বিভাগৰ পি.এইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে
প্ৰদত্ত গৱেষণা গ্ৰন্থৰ সাৰাংশ


**ৰূপম গগৈ**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোকৰাঝাৰ, বিটিআৰ, অসম ২০২২ বৰ্ষ,

# বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন

## (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)

## প্ৰদত্ত গৱেষণা গ্ৰন্থৰ সাৰাংশ

অসমৰ সমাজ সংস্কৃতিত পাঁচশ বছৰো অধিক কাল সংপৃক্ত হৈ থকা এক সামাজিক অনুষ্ঠান সত্ৰ। শংকৰদেৱে সত্ৰ প্ৰতিষ্ঠাৰে অসমীয়া সমাজ ব্যৱস্থাত ধৰ্মীয় দিশৰ যি পৰিৱৰ্তন আনিছিল সেই কাৰ্যত মাধৱদেৱকে আদি কৰি বৈষ্ণৱ সন্ত মহন্তসকলে সহযোগ কৰিছিল। ফলস্বৰূপে অসমত বহু সত্ৰ পৰৱৰ্তী সময়ত প্ৰতিষ্ঠা হ'ল। 'সত্ৰ' শব্দৰ আভিধানিক অৰ্থ হ'ল —অধিবেশন, হোম যজ্ঞানুষ্ঠান, নিবাসস্থান। বৈষ্ণৱ ধৰ্ম পালনাৰ্থে আৰু প্ৰচাৰাৰ্থে গুৰু-শিষ্য সমন্বিতে থকা কেন্দ্ৰ অৰ্থত অসমত সত্ৰ শব্দটো ব্যৱহৃত হৈছে। প্ৰথমতে কেতিয়া, ক'ত সত্ৰ অনুষ্ঠানৰ উৎপত্তি বা আৰম্ভ হৈছিল তাৰ আঁত বিচাৰি চালে দেখা যায় নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলৰ আনুষ্ঠানিক পৰিৱেশৰ কথা। বিষ্ণুক্ষেত্ৰ নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলে স্বৰ্গ প্ৰাপ্তিৰ কাৰণে সহস্ৰ বছৰ দিন ধৰি যি অনুষ্ঠান পাতি আছিল সেয়ে সত্ৰ। ঠিক তেনে অৰ্থতেই অসমত সত্ৰ শব্দৰ প্ৰয়োগ হয়। বৈষ্ণৱ ধৰ্মীয় কাম-কাজ পৰিচালনা কৰা অনুষ্ঠানক সত্ৰ বুলি কোৱা হৈছিল। অৱশ্যে সত্ৰৰ পৰিৱেশত পৰম্পৰাগত জীৱন শৈলীৰ পৰিৱৰ্তে পৰিশীলিত জীৱন পদ্ধতিৰে কাম-কাজ পৰিচালনা কৰা হৈছিল আৰু বৰ্তমানো সত্ৰসমূহ তেনেদৰে পৰিচালিত হোৱা দেখা যায়। ক্ৰমান্বয়ে অসমৰ সত্ৰসমূহৰ বিভিন্ন কাম-কাজে সমাজক প্ৰভাৱিত কৰে ফলত সত্ৰ আৰু সমাজৰ মাজত এক সম্পৰ্কই গঢ় লয়। যি সম্পৰ্ক সাম্প্ৰতিক সময়তো দেখা পোৱা যায়। অসমৰ সমাজ ব্যৱস্থাত প্ৰচলিত পৰম্পৰাগত সাধাৰণ জীৱন শৈলীতকৈ সত্ৰ পৰিৱেশৰ জীৱন শৈলী কিছু পৃথক। সেয়ে সত্ৰ পৰিৱেশত এক সুকীয়া সংস্কৃতিয়ে গঢ় লোৱা দেখা যায়। যাক সত্ৰীয়া সংস্কৃতি বুলিব পাৰি। অসমৰ সত্ৰসমূহত সিঁচৰতি হৈ থকা বহু সংস্কৃতিয়ে অসমীয়া সমাজক চিনাকি কৰোৱাৰ লগতে সত্ৰীয়া সংস্কৃতি হিচাপে চিনাকী দিবলৈ সক্ষম হোৱা দেখা যায়। সত্ৰসমূহত দৈনন্দিন পালিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, খাদ্য-ভাস, বাক্য-বচন, সাজ-পাৰ সাধাৰণ জীৱনতকৈ পৃথক। অৱশ্যে অসমত বিভন্ন সত্ৰ আছে যদিও সকলো সত্ৰতে একেধৰণৰ জীৱন প্ৰক্ৰিয়া দেখা পোৱা যায়। সত্ৰসমূহত প্ৰচলিত এই কাৰ্যসমূহকে সত্ৰীয়া সংস্কৃতি বুলি কোৱা হয়। সত্ৰসমূহত পৰিৱেশিত সংস্কৃতিয়েই হ'ল সত্ৰ সংস্কৃতি বা সত্ৰীয়া সংস্কৃতি। সত্ৰ বা সত্ৰীয়া পৰিৱেশত প্ৰচলিত ৰীতি-নীতি, সাজ-পাৰ, খাদ্য-ভাস, গীত-নৃত্য আদি কাৰ্যক সত্ৰীয়া সংস্কৃতিৰ অন্তৰ্গত বিষয় হিচাপে ধৰিব পাৰি। একোটা নিৰ্দিষ্ট

পৰিৱেশত প্ৰচলিত কাৰ্য-কলাপেই সংস্কৃতিৰ ৰূপ লয়। সেয়ে সত্ৰত প্ৰচলিত কাৰ্য-কলাপসমূহকে সত্ৰীয়া সংস্কৃতি বুলি কোৱা হয়।

সকলো সত্ৰৰে লক্ষ্য আৰু উদ্দেশ্যৰ সাদৃশ্য আছে যদিও কাৰ্য-কলাপৰ মাজত কিছু পৃথকতা থকাটো স্বাভাৱিক। সংহতি অনুযায়ী সত্ৰসমূহৰ চাৰিটা ভাগ দেখা পোৱা যায় যদিও সত্ৰৰ প্ৰকৃতি অনুসৰি চালে সত্ৰসমূহৰ মাজত তিনিধৰণৰ সত্ৰ দেখা পোৱা যায়। উদাসীন ভকতে পৰিপূৰ্ণ সত্ৰ, উদাস আৰু গৃহস্থী ভকতৰ সামজঞ্জ্যৰে কাম-কাজ পৰিচালনা কৰা অৰ্ধউদাসীন সত্ৰ আৰু কেৱল গৃহস্থী ভকতৰ দ্বাৰা পৰিচালিত গৃহস্থী সত্ৰ। উদাসীন আৰু অৰ্ধউদাসীন সত্ৰৰ তুলনাত বৰ্তমান গৃহস্থী সত্ৰৰ সংখ্যাই অসমত বেছি। এই তিনিধৰণৰ সত্ৰতে নিত্য-নৈমিত্তিক সত্ৰীয়া ৰীতি-নীতি, পৰম্পৰা, সত্ৰীয়া খাদ্যাভ্যাস, সাজপাৰ আদি কাৰ্যসমূহ স্বৰ্কীয় শৈলীৰে পালন কৰি কৰা দেখা যায়। কেৱল সত্ৰৰ পৰিৱেশতেই নহয় অসমৰ সমাজ-ব্যৱস্থাত সত্ৰসমূহৰ কাৰ্য-কলাপ তথা সংস্কৃতিসমূহৰ গুৰুত্ব বৰ্তমানো পৰিলক্ষিত হয়।

সাম্প্ৰতিক সময় হ'ল বিজ্ঞান প্ৰযুক্তিৰ সময়। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ মন উৎকৰ্ষ সাধন হৈছে যাৰ ফলত যুক্তিনিষ্ঠভাৱে প্ৰতিটো বিষয় বিশ্লেষণ কৰিববলৈ প্ৰয়াস কৰা দেখা যায়। যাক বৰ্তমান সময়ত বিজ্ঞান বুলি কোৱা হয়। যিকোনো পৰিঘটনাৰ প্ৰকৃত কাৰণ যুক্তি আৰু প্ৰমাণৰ দ্বাৰা বিশ্লেষণ কৰি যথাসম্ভৱ শুদ্ধ সিদ্ধান্ত কৰিব পৰাকে বিজ্ঞান মানসিকতা বোলা হয়। বিজ্ঞান মানসিকতা, বৈজ্ঞানিক দৃষ্টিভংগী, বিজ্ঞান মনঃস্তত্বৰ অৰ্থও একে। সকলো কাম-কাজক যুক্তিৰে বিশ্লেষণ কৰি সত্যাসত্য প্ৰতিপন্ন কৰা দৃষ্টিভংগীকে বৈজ্ঞানিক দৃষ্টিভংগী বুলিব পাৰি।

অসমৰ সমাজ-ব্যৱস্থাত দীৰ্ঘদিন ধৰি প্ৰচলিত হৈ অহা সত্ৰৰ পৰম্পৰা তথা সংস্কৃতিসমূহ জন-সমাজৰ মাজত প্ৰাধান্য দিয়া দেখা যায়। এক ধৰ্মীয় অনুষ্ঠানৰ জৰিয়তে প্ৰসাৰিত হোৱা ৰীতি-নীতি-পৰম্পৰা তথা সাংস্কৃতিক কাৰ্যকলাপৰ মাজত কেৱল ধৰ্মীয় ভাৱানুভূতি জড়িত নে অন্তনিহিত বাহ্যিক অৰ্থ আছে সেই সম্পৰ্কে সাম্প্ৰতিক প্ৰেক্ষাপটত অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। সেয়ে অসমৰ সত্ৰসমূহৰ ভিতৰত জন-সমাজত বহুল ভাৱে প্ৰসাৰিত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰক প্ৰতিনিধিত্বমূলক হিচাপে অধ্যয়ন কৰা হ'ব। উদাস, অৰ্ধউদাস আৰু গৃহস্থী সত্ৰৰ মাজত থকা পাৰস্পৰিক পাৰ্থক্য, ৰীতি-নীতি, সংস্কৃতিৰ তাত্বিক আলোচনা এই তিনিখন সত্ৰক কেন্দ্ৰ কৰি অধ্যয়ন কৰা হ'ব। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই প্ৰতিষ্ঠা কালৰ পৰাই অসমত সমাজৰ বিভিন্ন দিশত

কাম-কাজ পৰিচালনা তথা সত্ৰীয়া সংস্কৃতি প্ৰসাৰ কৰি থকা দেখা যায়। দীৰ্ঘদিন ধৰি চৰ্চা হৈ থকা সংস্কৃতিৰ ব্যৱহাৰিক গুৰুত্ব সম্পৰ্কে **বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ)** শীৰ্ষক বিষয়টোৰ জৰিয়তে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হ'ব।

বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতি ঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ বিশেষ উল্লিখনসহ) শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে অৱতৰণিকা উপসংহাৰকে ধৰি মুল বিষয়বস্তু পাঁচটা অধ্যায়ত আলোচনা কৰা হ'ব।

অৱতৰণিকা অধ্যায়ত বিষয়বস্তুৰ পৰিচয় তুলি ধৰা হ'ব। সত্ৰ, সত্ৰীয়া সংস্কৃতি আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ এক আভাস তুলি ধৰা হ'ব। অধ্যয়নৰ পদ্ধতি, পৰিসৰ,পূৰ্বকৃত অধ্যয়ন, তথ্য উৎস আদিৰ আভাস দিয়া হ'ব। অধ্যয়নৰ বিষয়বস্তু বিশেষকৈ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে অধ্যয়ন কৰা হ'ব। বৰ্ণনাত্মক, তুলনামূলক পদ্ধতিৰে প্ৰয়োজন অনুসৰি অধ্যয়ন কৰা হ'ব।

অসমত সত্ৰ প্ৰতিষ্ঠাৰ চমু ইতিহাস, সত্ৰৰ স্বৰূপ, সত্ৰৰ উৎপত্তি আৰু বিকাশ, সত্ৰীয়া সংস্কৃতিৰ পৰিচয় প্ৰথম অধ্যায়ত দিয়া হ'ব। সত্ৰত নিত্য-নৈমিত্তিক বিভিন্ন কাৰ্য পৰিচালনা হয়। পুৱা প্ৰসংগৰ পৰা আৰম্ভ কৰি ৰাতি প্ৰসংগলৈকে প্ৰতি দিনে সত্ৰভেদে বিভিন্ন কাৰ্য সম্পাদন কৰে। ইয়াৰ উপৰিও সত্ৰত দৈনিক বিভিন্ন কাৰ্যত সাংস্কৃতিক দিশসমূহ পৰিৱেশন হয়। সত্ৰীয়া গীত, নৃত্য সম্পৰ্কীয় এক পৰিচয় তথা সত্ৰসমূহৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন সম্পৰ্কে এক চমু আভাস এই অধ্যায়তে দিয়া হ'ব। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত সত্ৰৰ কাম-কাজসমূহ পৰিচালনা কৰিবলৈ নিৰ্দিষ্ট বিষয়া থাকে। সত্ৰকেইখন পৰিচালনা কৰাৰ ক্ষেত্ৰত ভূমিকা লোৱা সত্ৰাধিকাৰকে প্ৰমুখ্য কৰি প্ৰতিটো অনুষ্ঠানৰ বাবে নিৰ্দিষ্ট ভকত নিয়োগ কৰা থাকে। তেনেদৰে সত্ৰকেইখনে সংস্কৃতিসমূহ চৰ্চা কৰি থকা দেখা যায়। পৰিচয়মূলক হিচাপে সত্ৰীয়া সংস্কৃতিৰ বিষয়বস্তু সম্পৰ্কে চমু আভাস এই অধ্যায়ত তুলি ধৰা হ'ব।

আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰত পৰিচালিত হৈ থকা দৈনন্দিন কাৰ্যসমূহক দুটা দিশত ভাগ কৰিব পাৰি। ভকতৰ ব্যক্তিগত জীৱনৰ কৰ্ম আৰু আনহাতে সামূহিক কৰ্ম। সত্ৰৰ পৰিৱেশত পৰিচালিত এই দুইবিধ কৰ্মৰ মাজত সম্পৰ্ক আছে। সামূহিক ভাৱে কৰা কাম-কাজ যেনে প্ৰসংগ, নাম আদি অনুষ্ঠান আৰু ব্যক্তিগত কৰ্মসমূহ যেনে- স্নান, বাহিকৰ্ম, শিক্ষা, অনুশীলন, ৰন্ধন ব্যৱসায়, খেতি

আদি। এই কৰ্মসমূহ অন্যান্য সত্ৰৰ লগতে আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই দৈনন্দিন পালন কৰি আহিছে। এই কৰ্মসমূহৰ তাত্ত্বিক বিশ্লেষণ দ্বিতীয় অধ্যায়ৰ মূল বিষয়।

তৃতীয় অধ্যায়ত সত্ৰৰ সাংস্কৃতিক দিশসমূহৰ সম্পৰ্কে অধ্যয়ন কৰা হ'ব। আউনীআটী সত্ৰ, গডমূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ এক সাংস্কৃতিক পৰম্পৰা আছে। সত্ৰকেইখনৰ বিভিন্ন অনুষ্ঠানত গীত, নৃত্য,বাদ্য, নাট্যৰ পৰিৱেশন কৰা হয়। আধ্যাত্মিক দিশৰ লগত বা ধৰ্মীয় দিশেৰে এই গীত নৃত্য পৰিৱেশন কৰি থকাৰ পৰিপেক্ষিতত কেনেধৰণৰ বিশ্বাস বা বাস্তৱসন্মত দিশ জড়িত হৈ আছে সেই বিষয়ে অধ্যয়ন কৰা হ'ব। লগতে ভাস্কৰ্য শিল্পৰ চৰ্চা আৰু উৎসৱ-পাৰ্বণ পালন আদি দিশটো মন কৰিবলগীয়া। কেৱল সত্ৰতেই নহয় অসমৰ সমাজ ব্যৱস্থাটো সত্ৰৰ সাংস্কৃতিক দিশসমূহ পৰিৱেশিত হৈ থকা দেখা যায়। এই সাংস্কৃতিক দিশসমূৰ বাস্তৱিক বিশ্লেষণ এই অধ্যায়ত তুলি ধৰা হ'ব।

সত্ৰসমূহ সমাজৰ প্ৰতিনিধি। সত্ৰক কেন্দ্ৰকৰিয়েই সমাজসমূহ পৰিচালিত হোৱা দেখা যায়। সেয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰসমূহত সত্ৰৰ ভূমিকা দেখা পোৱা যায়। শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, সাহিত্যিক আদি ভিন্ন দিশত মনোনিৱেশেৰে সত্ৰসমূহে সমাজলৈ অৱদান আগবঢ়োৱা দেখা যায়। আউনীআটী সত্ৰ,, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ তেনে অৱদানসমূহৰ বিশ্লেষণ চতুৰ্থ অধ্যায়ত তুলি ধৰা হ'ব। সমাজৰ বাবে সত্ৰই কৰিব পৰা কাৰ্য, শৃংখলিত সমাজ তথা অৰ্থনৈতিক ভাৱে সমাজক স্বাৱলম্বি কৰিবলৈ সত্ৰকেইখনে লব পৰা গুৰুত্বৰ দিশটো এই অধ্যায়ৰ আলোচ্য বিষয়।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰ সাম্প্ৰতিক সমাজত থকা গুৰুত্ব , সত্ৰকেইখনৰ বহনক্ষমতা আৰু ভৱিষ্যতে সত্ৰকেইখনে ল'ব লগা গুৰুত্ব সম্পৰ্কে এই অধ্যায়ত আলোচনা কৰা হ'ব। সমাজ অবিহনে সত্ৰসমূহ জীয়াই থাকিব নোৱাৰে । বিশেষকৈ মাজুলিৰ আউনীআটী আৰু গড়মূৰ সত্ৰ জনজাতীয় অঞ্চলত আছে। সেয়েহে জনজাতীয় মানুহৰ লগত সত্ৰৰ সম্পৰ্ক ভালে ৰাখিলেহে সত্ৰীয়া সংস্কৃতি , ৰীতি-নীতি ভৱিষ্যতলৈকে বহনক্ষম হৈ থাকিব সেই বিষয়ে এই অধ্যায়ত অধ্যয়ন কৰা হ'ব। আনহাতে সমাজৰ সামাজিক সমস্যা, অৰ্থনৈতিক দিশ, আধ্যাত্মিক শিক্ষাক পদ্ধতিগত ভাৱে প্ৰদান, সাংস্কৃতিক পৰ্যটন হিচাপে সত্ৰক গঢ়ি তোলা আদি বিষয়বোৰ এই অধ্যায়ত উপস্থাপন কৰা হ'ব।

উপসংহাৰ অধ্যায়ত আলোচ্য অধ্যায়ৰ আভাস তুলি ধৰি অধ্যয়নৰ পৰা পোৱা সিদ্ধান্ত আৰু ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনা দিশবোৰ আলোচনা কৰা হ'ব।

বৈজ্ঞানিক দৃষ্টিভংগীৰে অসমৰ সত্ৰীয়া সংস্কৃতিঃ এক অধ্যয়ন (আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ

আৰু বৰপেটা সত্ৰ বিশেষ উল্লিখনসহ) অধ্যয়নৰ জৰিয়তে সত্ৰ সংস্কৃতিৰ মাজত বাস্তৱ সন্মত বিচাৰ তথা যুক্তি আছেনে নাই, সামাজিক বিকাশ হোৱাকৈ সত্ৰৰ ৰীতি-নীতি পৰম্পৰাবোৰ যুক্তিপূৰ্ণ হয়নে নহয় এনে দিশবোৰ এই অধ্যয়নৰ জৰিয়তে ফুটি উঠিব। সামাজিক বিকাশত আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰই লোৱা ভূমিকা, সামাজিক অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত লোৱা পদক্ষেপসমূহ আৰু ভৱিষ্যতে কৰিব লগা কাৰ্য সম্পৰ্কে অধ্যয়নৰ জৰিয়তে প্ৰকাশিত হ'ব। সত্ৰৰ সাংস্কৃতিক কাৰ্য, আধ্যাত্মিকতা, শৈক্ষিক দিশ, তথা সাংস্কৃতিক পৰ্যটনৰ দিশসমূহৰ পুংখানুপুংখ বিশ্লেষণ কৰা হ'ব। অসমৰ সমাজ ব্যৱস্থাত বহনক্ষম হৈ থাকিবলৈ সত্ৰসমূহে ল'ব লগা সচেতনতা, ভৱিষ্যত কাৰ্য সম্পৰ্কে বিশ্লেষণ তুলি ধৰা হ'ব। সত্ৰীয়া কাৰ্য-কলাপৰ মাজত বৈজ্ঞানিক যুক্তি-যুক্ততা আছে নে নাই সেইয়া এই অধ্যয়নৰ জৰিয়তে স্পষ্ট ৰূপত ফুটি উঠিব।

বীজ শব্দ— সত্ৰ, সংস্কৃতি, বৈজ্ঞানিক, সমাজ, অৰ্থনৈতিক, আধ্যাত্মিক, পৰ্যটন, সংহতি, উদাস, ভাস্কৰ্য, খাদ্যাভ্যাস, সাংস্কৃতিক আদি।